# 2013

## ASSAMESE

( Major )

Paper : 3.5

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Candidates* ***eligible*** *for Internal Assessment shall answer from* PART—I *only* ( *Marks* : 90 )

---

*Candidates* ***not eligible*** *for Internal Assessment shall answer both from* PART—I *and* PART—II ( *Marks* : 100 )

## PART—I

( *Marks* : 90 )

### First Half

( সাহিত্য সমালোচনা )

( মূল্যাংক : ৫৫ )

১। (ক) ভৰত মুনিৰ ৰসসূত্ৰটি উল্লেখ কৰি সূত্ৰটিৰ সবিশেষ আলোচনা কৰা। ১৫

*অথবা*

(খ) ''ৰসাত্মকং বাক্যং কাব্যম্।'' এই উক্তিৰ আধাৰত কাব্যৰ স্বৰূপ নিৰ্ণয় কৰা।

২। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১৫×২=৩০

(ক) ''উৎকৃষ্টতম শব্দপুঞ্জৰ উৎকৃষ্টতম বিন্যাসেই কবিতা।'' এই উক্তিৰ আধাৰত কবিতাৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা।

(খ) উপন্যাস আৰু চুটিগল্পৰ চৰিত্ৰ, প্ৰকাশভঙ্গী আৰু আংগিক সম্বন্ধে এটি তুলনামূলক আলোচনা যুগুত কৰা।

(গ) নাটকৰ প্ৰধান উপাদানসমূহ চমুকৈ লিখি ট্ৰেজেডি আৰু কমেডিৰ পাৰ্থক্যসমূহ উদাহৰণেৰে ব্যাখ্যা কৰা।

(ঘ) পৰম্পৰাগত উপন্যাস আৰু আধুনিক উপন্যাসৰ সংজ্ঞা নিৰূপণ কৰি দুই ধৰণৰ উপন্যাসৰ মিল-অমিলসমূহ উদাহৰণেৰে বিচাৰ কৰা।

৩। (ক) সাহিত্যত আধুনিকতাবাদ বুলিলে কি বুজা, চমুকৈ লিখা। ১০

*অথবা*

(খ) ধ্ৰুৱবাদৰ বৈশিষ্ট্য সম্পৰ্কে এটি আলচ যুগুত কৰা।

## Second Half

( ছন্দ আৰু অলঙ্কাৰ )

( *মূল্যাংক* : ৩৫ )

৪। পয়াৰ আৰু একাৱলী—ইয়াৰে যি কোনো এবিধ ছন্দৰ চৰণ আৰু অক্ষৰ সংখ্যা নিৰূপণ কৰি উপযুক্ত উদাহৰণ দিয়া। ৫

৫। তলৰ যি কোনো এটা স্তৱকৰ ছন্দ নিৰূপণ কৰি অক্ষৰ সংখ্যা ভাঙি দেখুওৱা : ৫

(ক) নমো নাৰায়ণ।
সংসাৰ কাৰণ।
ভকত তাৰণ।
তোমাৰ চৰণ।

(খ) হেন শুনি জাম্বৱন্ত।
ধাইলা মহা বলবন্ত ॥
নিচিনি স্বামীক পাছে।
ধৰিলন্ত যুদ্ধ কাছে ॥

৬। (ক) বিভিন্ন আলঙ্কাৰিকৰ অভিমতৰ আধাৰত 'অলঙ্কাৰ' শব্দটিৰ অৰ্থ ব্যাখ্যা কৰি সাহিত্যত অলঙ্কাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা। ৫+১০=১৫

*অথবা*

(খ) অলঙ্কাৰ কেইবিধ আৰু কি কি? যি কোনো চাৰি ধৰণৰ অলঙ্কাৰৰ নিদৰ্শনৰ আধাৰত শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰৰ পাৰ্থক্য নিৰ্ণয় কৰা। ৩+১২=১৫

৭। তলৰ যি কোনো দুটা উদ্ধৃতিৰ অলঙ্কাৰ নিৰ্ণয় কৰা : ৫×২=১০

(ক) কি কহব ৰমণীক ৰূপ প্ৰচুৰ
বদনক হেৰি চান্দ ভেল দূৰ।
নয়নক পেখি পাই বৰ লাজ
ঝাম্প কৰল কমল জলমাজ।

(খ) মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ বৰণেৰে ঢকা।

(গ) দ্ৰোণীজাত শুভ্ৰ কান্তি ফুল্ল দ্ৰোণীদলে
প্ৰীতিভৰা লাজাঞ্জলি যাচিছে সাদৰে।

(ঘ) সংসাৰত কোন সিটো লোকৰ সন্তাপহেতু
আছে যাৰ চিৰ অভ্যুদয় ?
ইয়াকে জনাই ৰৱি দিনৰ অন্তত গৈ
অস্তাচলে ললেহি আশ্ৰয়।

## PART—II

( *Marks* : 10 )

**( আভ্যন্তৰীণ মূল্যায়নৰ পৰিৱৰ্তে )**

৮। তলৰ যি কোনো দুটাৰ চমু টোকা লিখা : ৫×২=১০

(ক) ভক্তিৰস

(খ) চুটিগল্পত স্থান, কাল, পাত্ৰৰ ঐক্য

(গ) এবছাৰ্ড নাটক

(ঘ) উপন্যাসত ঔপন্যাসিকৰ জীৱন-বীক্ষা

* * *